**6 SEM TDC ASM M 1**

# 2014

( May )

## ASSAMESE

( Major )

Course : 601

( ভাষা-সাহিত্য অধ্যয়নৰ বিভিন্ন দিশ )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়া প্ৰশ্নকেইটাৰ পোনপটীয়া উত্তৰ দিয়াঁ : ১×৮=৮

(ক) প্ৰথম অসমীয়া ছপাপুথিখনৰ নাম কি?

(খ) অসমৰ প্ৰথম অনাতাঁৰ কেন্দ্ৰটোৰ নাম লিখাঁ।

(গ) 'হেমকোষ'ৰ প্ৰণেতাজনৰ নাম লিখাঁ।

(ঘ) 'সংবাদ, সংবাদপত্ৰ আৰু সাংবাদিকতা' গ্ৰন্থখনৰ লেখক কোন?

(ঙ) সাহিত্যৰ সমাজতত্ত্বৰ বাটকটীয়াৰূপে কাক জনা যায়?

(চ) 'গৰীয়সী' আলোচনীখনৰ বৰ্তমানৰ সম্পাদকৰ নাম লিখাঁ।

(ছ) 'টেলিভিশ্বন' কোন শ্ৰেণীৰ প্ৰচাৰ মাধ্যম?

(জ) ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ পৰিচালকৰ বঁটা পোৱা প্ৰথম অসমীয়াজন কোন?

২। (ক) আমাৰ চৌপাশে সক্ৰিয় হৈ থকা গণমাধ্যমসমূহৰ বিষয়ে এটা চমু প্ৰবন্ধ যুগুত কৰাঁ। ১৫

*অথবা*

(খ) বিভিন্ন প্ৰকাৰৰ গণমাধ্যমসমূহক শ্ৰেণীবদ্ধ কৰি প্ৰত্যেকৰে চমু পৰিচয় দাঙি ধৰাঁ।

৩। (ক) আৰ্হিকাকত চোৱাঁৰ নিয়মসমূহ উল্লেখ কৰি তলৰ অংশটিৰ আৰ্হি চোৱাঁ। আৰ্হি চাবলগীয়া অংশ : ৭+৭=১৪

"দৌৰি যেৱা লৰাটোৰ বুকুৰ বুটাম খুলি কামিজতো পাছফালে পাতাকাৰ দৰে পট্ পট্কৈ উৰি ছিল মুৰৰ থৰঙা চুলিবোৰে বতাহত দো লৈছিল মূৰৰ পাছলৈ। বতাহৰ চাট গিলা মুদ খায় অহা চকুহালৰ চকুপানী কাৰন ফাললৈ বৈ গৈছিল। বাততোৰ দুয়োকাষে ধান দায় নি য়া উদং পথাৰ। কৰবাত কোনোবায় নৰাত জুই লগায় দিছিল।"

শুদ্ধ পাঠ :

"দৌৰি যোৱা ল'ৰাটোৰ বুকুৰ বুটাম খুলি কামিজটো পাছফালে পতাকাৰ দৰে পট্পট্কৈ উৰিছিল। মূৰৰ ঠৰঙা চুলিবোৰে বতাহত দোঁ লৈছিল মূৰৰ পাছলৈ।

বতাহৰ চাট লাগি মুদ খাই অহা চকুহালৰ চকুপানী কাণৰ ফাললৈ বৈ গৈছিল।

বাটটোৰ দুয়োকাষে ধান দহি নিয়া উদং পথাৰ। ক'ৰবাত কোনোবাই নৰাত জুই লগাই দিছিল।"

*অথবা*

(খ) বিজ্ঞাপন লেখনৰ ভাষা সম্পৰ্কে চমুকৈ লিখি তোমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰকাশ পাবলগীয়া ভাষা-সাহিত্য বিষয়ৰ আলোচনী এখনৰ বাবে লেখা বিচাৰি বাতৰি-কাকতলৈ এটা বিজ্ঞাপন প্ৰস্তুত কৰাঁ। (মহাবিদ্যালয়ৰ নাম আৰু নিজৰ নাম উল্লেখ নকৰিবা) ৫+৯=১৪

৪। (ক) পাণ্ডুলিপি সম্পাদনা বুলিলে কি বুজা? গ্ৰন্থ এখন সম্পাদনা কৰোঁতে সম্পাদকে কি কি দিশৰ প্ৰতি গুৰুত্ব দিব লাগে এই বিষয়ে উল্লেখ কৰি এটি টোকা যুগুত কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) হস্তলিখিত পুথিৰ সম্পাদনাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলগীয়া পদ্ধতি সম্পৰ্কে এটি আলচ যুগুত কৰাঁ। ১৫

৫। (ক) সাহিত্যৰ সমাজতত্ত্ব অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৪

*অথবা*

(খ) চমু টোকা লিখাঁ : ৭×২=১৪

(১) সাহিত্যত মাৰ্ক্সবাদ

(২) সাহিত্য আৰু সমাজ

৬। (ক) 'একবিংশ শতিকাৰ অসমীয়া সাহিত্য-আলোচনী'—এই শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৪

*অথবা*

(খ) তুমি নিয়মীয়াকৈ পঢ়া যি কোনো এখন দৈনিক অসমীয়া বাতৰি-কাকতৰ বিষয়ে এটি পৰ্যালোচনা আগবঢ়োৱাঁ।

★★★